# ।। গুণমালা ।।

## ।। শ্ৰীশ্ৰীকৃষ্ণায় নমোনমঃ ।।

**।। ঘোষা ।।**

**।। ৰাম নিৰঞ্জন ঃ পাতক ভঞ্জন ।।**

**।। পদ ।।**

নমো নাৰায়ণ ঃ সংসাৰ কাৰণ।
ভকত তাৰণ ঃ তোমাৰ চৰণ।। ১ ।।
তুমি নিৰঞ্জন ঃ পাতক ভঞ্জন।
দানৱ গঞ্জন ঃ গোপিকা ৰঞ্জন।। ২ ।।
বেদান্ত গায়ক ঃ বংশী বায়ক।
জগত নায়ক ঃ মুকুতি দায়ক।। ৩ ।।
ভকতৰ ঋদ্ধি ঃ কৰা সৰ্বসিদ্ধি।
বিধাতাৰ বিধি ঃ দীন দয়ানিধি।। ৪ ।।
ভকতি ৰোচন ঃ দুখ বিমোচন।
পাতক মোচন ঃ কমল লোচন।। ৫ ।।
দৈত্য অন্তকাৰী ঃ গোবৰ্দ্ধনধাৰী।
ভৱ ভয়হাৰী ঃ তুমিসি মুৰাৰী।। ৬ ।।
কালিক দমিলা ঃ পুতনা শুষিলা।
দেৱক তুষিলা ঃ ব্ৰজক ভুষিলা।। ৭ ।।
কেশী বৎস বক ঃ সমস্ত দৈত্যক।
লগাইলা চমক ঃ ডকাইলা যমক।। ৮ ।।
তুমি বাৰম্বাৰ ঃ হুয়া অৱতাৰ।
পৃথিৱীৰ ভাৰ ঃ খণ্ডিলা অপাৰ।। ৯ ।।
ইন্দ্ৰক দমিলা ঃ ব্ৰহ্মায়ো নমিলা।
বনত ভ্ৰমিলা ঃ গোপীক ক্ৰীড়িলা।। ১০ ।।
পশি ৰঙ্গশাল ঃ যত মহামাল।
কৰিয়া আস্ফাল ঃ বধিলা গোপাল।। ১১ ।।
তযু গুণ নাম ঃ ধৰ্ম অনুপাম।
মোক্ষ অৰ্থকাম ঃ সাধা প্ৰভু ৰাম।। ১২ ।।
মাৰি দশগ্ৰীৱ ঃ জনকৰ জীৱ।
পাইলা সদাশিৱ ঃ তুমি জগজীৱ।। ১৩ ।।
তোমাৰ চৰিত্ৰ ঃ পৰম পৱিত্ৰ।
পাতকীৰ মিত্ৰ ঃ কৰিলা বিচিত্ৰ।। ১৪ ।।
পতিত পাৱন ঃ এভৱ ভাৱন।
অসুৰ ধাৱন ঃ তুমি সি বামন।। ১৫ ।।
অগতিৰ গতি ঃ ত্ৰিজগত পতি।
তোমাত ভকতি ঃ থাকোক সম্প্ৰতি।। ১৬ ।।
শ্যামল শৰীৰ ঃ জলদ ৰুচিৰ।
গহীন গম্ভীৰ ঃ গুণৰ মন্দিৰ।। ১৭ ।।
কুণ্ডলে মণ্ডিত ঃ অসুৰ দণ্ডিত।
পাতক খণ্ডিত ঃ তুমিসি পণ্ডিত।। ১৮ ।।
দাৰিদ্ৰ্য মৰ্দ্দন ঃ কৰুণা সদন।
বংশী বদন ঃ মুৰুতি মদন।। ১৯ ।।
হাস্য দৰিশন ঃ পাপ কৰি ছন।
দোষ মৰিষণ ঃ কাম বৰিষণ।। ২০ ।।
জগত আধাৰ ঃ দৈৱকী কুমাৰ।
সংসাৰতে সাৰ ঃ চৰণ তোমাৰ।। ২১ ।।
তুমি ভগৱন্ত ঃ মহিমা অনন্ত।
তাৰিলাহা সন্ত ঃ পুৰুষ মহন্ত।। ২২ ।।
তুমি সুবৎসল ঃ পুৰুষ নিশ্চল।
নাহি কিছু চল ঃ ভকত বৎসল।। ২৩ ।।
তুমি অৱতৰি ঃ অসুৰ সংহৰি।
সৃষ্টি আছা ধৰি ঃ দেৱ শ্ৰীহৰি।। ২৪ ।।
অঘাসুৰ ঘালি ঃ মহা বলশালী।
দমিলাহা কালী ঃ তুমি বনমালী।। ২৫ ।।
কৰি পৰাভৱ ঃ খেদাইলা দানৱ।
ভকত বান্ধৱ ঃ তুমিসি মাধৱ।। ২৬ ।।
কৰি অৱিচ্ছেদ ঃ দৈত্য কৰি ভেদ।
খণ্ডিলাহা খেদ ঃ উদ্ধাৰিলা বেদ।। ২৭ ।।
জগতক বশ্য ঃ কৰিলা অৱশ্য।
ভৈলা মহামৎস্য ঃ ব্ৰহ্মাৰ নমস্য।। ২৮ ।।
তুমি মহাহংস ঃ আসি নিজ অংশ।
হুয়া যদু বংশ ঃ বধিলাহা কংস।। ২৯ ।।
জগত নিঃশেষ ঃ সৱাতো প্ৰৱেশ।
ভৈলা হৃষিকেশ ঃ নজানি উদ্দেশ।। ৩০ ।।
তুমি পীতাম্বৰ ঃ কৰি আড়ম্বৰ।
বধিলা সম্বৰ ঃ প্ৰভু বিশ্বম্ভৰ।। ৩১ ।।
তুমিসে অচ্যুত ঃ আনন্দে আপ্লুত।
ভকত বহুত ঃ কৰিলা মুকুত।। ৩২ ।।
ধৰি মৎস্য কায় ঃ সত্যব্ৰত ৰায়।
প্ৰলয় অপায় ঃ তাৰিলা লীলায়।। ৩৩ ।।
কূৰ্ম কলেৱৰ ঃ ধৰিলা মন্দৰ।
মথিলা সাগৰ ঃ নভৈলা ভাগৰ।। ৩৪ ।।
বৰাহ শৰীৰি ঃ পৃথিৱী উদ্ধাৰি।
হিৰণ্যাক্ষ বীৰি ঃ মাৰিলাহা ছিৰি।। ৩৫ ।।
নৰসিংহ ৰূপু ঃ ভৈলা দিব্যবপু।
বধিলাহা ৰিপু ঃ হিৰণ্যকশিপু।। ৩৬ ।।
ভৈলা অদিতিত ঃ বামন উদিত।
মূৰুতি ললিত ঃ বলিক ছলিত।। ৩৭ ।।
জামদগ্নি ৰাম ঃ কাটি চামে চাম।
ক্ষত্ৰিয়ৰ নাম ঃ নথৈলা সংগ্ৰাম।। ৩৮ ।।
ভৈলা কৌশল্যাত ঃ শ্ৰীৰাম জাত।
ৰাৱন বিঘাত ঃ কৰিলা লঙ্কাত।। ৩৯ ।।
ৰাম হলধৰ ঃ ৰোহিণী কুমাৰ।
মাৰিলা ইতৰ ঃ দ্বিৱিদ বানৰ।। ৪০ ।।
বুদ্ধৰূপে ছন্ন ঃ কৰি বেদগণ।
মুহিলাহা মন ঃ তেজিয়া সজ্জন।। ৪১ ।।
হুয়া কল্কী চণ্ড ঃ যতেক পাষণ্ড।
কৰি খণ্ড খণ্ড ঃ বিহিলাহা দণ্ড।। ৪২ ।।
ধৰি বাৰম্বাৰ ঃ দশ অৱতাৰ।
পৃথিৱীৰ ভাৰ ঃ খণ্ডিলা অপাৰ।। ৪৩ ।।
কৃষ্ণৰ কিঙ্কৰে ঃ ৰচিলা শঙ্কৰে।

হৰি হৰি নৰে ঃ বোলা নিৰন্তৰে।। ৪৪ ।।

।। ঘোষা ।।

**হৰি হৰি ৰাম ঃ হৰি হৰি ৰাম ।।**

।। পদ ।।

নমো লক্ষ্মীপতি ঃ জগতৰ গতি।
চৰণে প্ৰণতি ঃ কৰিলো সম্প্ৰতি।। ৪৫ ।।
গুণ চিন্তামণি ঃ সংসাৰ তাৰণী।
পাপৰ অগনি ঃ ঘুষিয়োক চানি।। ৪৬ ।।
ইটো বিতোপন ঃ ধৰ্ম্ম সনাতন।
আকেসে কীৰ্তন ঃ কৰে সাধুজন।। ৪৭ ।।
শুনিও দশম ঃ আতি নিৰুপম।
কৃষ্ণৰ পৰম ঃ জনম কৰম।। ৪৮ ।।
দৈত্যে ভিড়িল ঃ ভাৰে পীড়িল।
দুখ সাক্ষী দিল ঃ পৃথিৱী কান্দিল।। ৪৯ ।।
ব্ৰহ্মায়ে প্ৰাৰ্থন্তে ঃ আসি ভগৱন্তে।
জন্মিলা জলন্তে ঃ দৈৱকীত হন্তে।। ৫০ ।।
অদ্ভুত বালক ঃ কুটিল অলক।
ৰত্নৰ তিলক ঃ শোভে কপোলক।। ৫১ ।।
হষিত বয়ন ঃ কমল নয়ন।
ৰুচিৰ দশন ঃ পীত বসন।। ৫২ ।।
কিৰীটি কুণ্ডল ঃ কৰে জলমল।
কৌস্তভে উজ্জ্বল ঃ শোভে কম্বুগল।। ৫৩ ।।
হস্ত চাৰিখন ঃ অতি বিতোপন।
কেয়ূৰ কঙ্কণ ঃ প্ৰকাশে ভুষণ।। ৫৪ ।।
বহল হৃদয় ঃ বনমালা তয়।
পৰি গুঞ্জৰয় ঃ ভ্ৰমৰে ৰঞ্জয়।। ৫৫ ।।
ৰতনে ৰচিত ঃ মেখলা কটিত।
পাট ভুনি পীত ঃ লোটয় মাটিত।। ৫৬ ।।
উৰু কৰীকৰ ঃ জঙঘা মনোহৰ।
কনক ৰত্নৰ ঃ ৰঞ্জিত হোড়ৰ।। ৫৭ ।।
চৰণ পল্লৱ ঃ পদ্ম অভিনৱ।
নূপুৰৰ ৰৱ ঃ শুনন্তে উৎসৱ।। ৫৮ ।।
আঙ্গুলিৰ পান্তি ঃ নখচন্দ্ৰ কান্তি।
দেখি খণ্ডে ভ্ৰান্তি ঃ তাপ উপশান্তি।। ৫৯ ।।
ৰঙা পদ তলে ঃ অঙ্কুশ কমলে।
চিহ্ন সকলে ঃ অতিশয় জ্বলে।। ৬০ ।।
জগতৰ তাত ঃ আছন্ত তথাত।
চাৰি অস্ত্ৰ হাত ঃ প্ৰকাশে সাক্ষাত।। ৬১ ।।
দেখি দুয়ো প্ৰাণী ঃ এন্তে চক্ৰপাণি।
মনে অনুমানি ঃ বোলে স্তুতিবাণী।। ৬২ ।।
কৃষ্ণে কথা কৈলা ঃ শিশুৰূপ ভৈলা।
নিহল ছোড়াইলা ঃ কোলে তুলি লৈলা।। ৬৩ ।।
বসুদেৱ সন্ত ঃ লৈয়া লৰিলন্ত।
ফণায়ে অনন্ত ঃ ছত্ৰ ধৰিলন্ত।। ৬৪ ।।
নমনিয়া কূল ঃ যমুনা বিপুল।
চড়াই তাৰ কূল ঃ পাইলন্ত গোকুল।। ৬৫ ।।
কৃষ্ণক থৈলন্ত ঃ কন্যাক লৈলন্ত।
বসুদেৱ সন্ত ঃ দুনাই আসিলন্ত।। ৬৬ ।।
নন্দে দেখিল ঃ পুত্ৰ উপজিল।
উৎসৱ মিলিল ঃ মহাদান দিল।। ৬৭ ।।
নন্দ যশোদাৰ ঃ গৃহত অপাৰ।
কৰিলা বিহাৰ ঃ জগত আধাৰ।। ৬৮ ।।
অনেক যন্ত্ৰণা ঃ কৰিয়া মন্ত্ৰণা।
আসিলা পুতনা ঃ শুষিলা চেতনা।। ৬৯ ।।
পৰম সঙ্কট ঃ দধিদুগ্ধ ঘট।
সহিতে শকট ঃ কৰিলা উলট।। ৭০ ।।
দৈত্যে চক্ৰবাত ঃ ভৈল স্কন্ধপাত।
কৃষ্ণৰ লীলাত ঃ পৰিয়া শিলাত।। ৭১ ।।
তুমি অন্তৰ্য্যামী ঃ মাতৃ কোলগামী।
তুলিলাহা হামি ঃ জগতৰ স্বামী।। ৭২ ।।
জগত নিখিল ঃ গৰ্ভত দেখিল।
বিস্ময় মিলিল ঃ যশোদা ডৰিল।। ৭৩ ।।
আসি গৰ্গ ঋষি ঃ গোপনত বসি।
জাত কৰ্ম ৰাশি ঃ কৰিলা হৰিষি।। ৭৪ ।।
বিধিৱতে নাম ঃ থৈলা কৃষ্ণৰাম।
কহি গুণ গ্ৰাম ঃ গৈলা নিজ ধাম।। ৭৫ ।।
পাছে ব্ৰজ পুৰে ঃ ৰঙ্গে ভ্ৰমি ফুৰে।
সোণাৰ নূপুৰে ঃ ৰুণ ঝুণ কৰে।। ৭৬ ।।
অগনি সৰ্পক ঃ যান্ত ধৰিবাক।
দেখি দেন্ত হাক ঃ নুশুনন্ত তাক।। ৭৭ ।।
গোপীকাৰ ঘৰে ঃ পশি দামোদৰে।
অপকাৰ কৰে ঃ দেখি নিৰন্তৰে।। ৭৮ ।।
গোপীগণ আসি ঃ যশোদাত হাসি।
কৃষ্ণ চেষ্টাৰাশি ঃ কহন্ত প্ৰকাশি।। ৭৯ ।।
দেখিলে গোৱালী ঃ শিশু বনমালী।
নানা চতুৰালী ঃ কৰন্ত ধুৰ্তালি।। ৮০ ।।
কি কহিব আই ঃ কৃষ্ণৰ অপায়।
নোদোহন্তে গায় ঃ বৎসক পিয়ায়।। ৮১ ।।
ঘৰে পশি যায় ঃ দধি দুগ্ধ খায়।
বানৰে খুৱায় ঃ ভাঙিয়া পেলায়।। ৮২ ।।
কি ভৈল দুৰ্জন ঃ তোমাৰ নন্দন।
কৃষ্ণৰ কাৰণ ঃ নৰহে জীৱন।। ৮৩ ।।
হেন বাণী শুনি ঃ লাজে চক্ৰপাণি।
নেত্ৰে বহে পানী ঃ দেখি নন্দৰাণী।। ৮৪ ।।
স্নেহ সম্পজিল ঃ সাৰটি ধৰিল।
আশ্বাস কৰিল ঃ মুখে স্তন দিল।। ৮৫ ।।
সঙ্গে শিশুগণ ঃ খেলে নাৰায়ণ।
মৃত্তিকা ভক্ষণ ঃ কৰিলা তেখন।। ৮৬ ।।
দেখি শিশুজাক ঃ বোলে যশোদাক।
শুনি ৰাণী তাক ঃ খঙ্গে বোলে বাক।। ৮৭ ।।
কেনে মাটি খাইলি ঃ অৰে বনমালী।
নাখালোহোঁ বুলি ঃ দেখায় মুখ মেলি।। ৮৮ ।।
সকল জগত ঃ দেখন্ত গৰ্ভত।
হৰিক মনত ঃ স্মৰন্ত ডৰত।। ৮৯ ।।
বোলন্ত বিস্ময় ঃ মোহৰ তনয়।
মনুষ্য নহয় ঃ ঈশ্বৰ নিশ্চয়।। ৯০ ।।
দিনেক প্ৰভাতে ঃ ৰাণী নিজহাতে।
দধিক তথাতে ঃ মথন্ত সাক্ষাতে।। ৯১ ।।
আসি দেৱহৰি ঃ মথনিত ধৰি।

বৈলা ৰঙ্গ কৰি ঃ দেখিলা সুন্দৰী।। ৯২ ।।
আনিয়া নন্দন ঃ বদনে চুম্বন।
কৰি ঘনে ঘন ঃ পিয়াইলন্ত স্তন।। ৯৩ ।।
দুগ্ধ উথলিয়া ঃ পৰয় দেখিয়া।
পুত্ৰক এৰিয়া ঃ গৈলা লৰৰীয়া।। ৯৪ ।।
কেশৰে কুপিলা ঃ ধৰি পটাশিলা।
ভাণ্ডক ভাঙ্গিলা ঃ যশোদা দেখিলা।। ৯৫ ।।
বাৰি লৈলা কৰে ঃ দেখি দামোদৰে।
নামি উড়লৰে ঃ লড় দিলা ডৰে।। ৯৬ ।।
যশোদা খেদন্ত ঃ ভয়ে ভগৱন্ত।
কান্দন্ত কাম্পত ঃ বাড়ি এড়িলন্ত।। ৯৭ ।।
কৰে ধৰি আনি ঃ উড়ুখলে টানি।
বান্ধি চক্ৰপাণি ঃ চলি গৈলা ৰাণী।। ৯৮ ।।
উড়ল ঘসাই ঃ বৃক্ষত লগাই।
উভাৰি পেলাই ঃ ৰঙ্গে আছে চাই।। ৯৯ ।।
দুই দেৱৰৰ ঃ দিব্য ৰূপধৰ।
কৰিয়া কাতৰ ঃ চলি গৈলা ঘৰ।। ১০০ ।।
কিবা ভৈলা বুলি ঃ নন্দে বান্ধ মেলি।
মলচিল ধূলি ঃ কোলে লৈলা তুলি।। ১০১ ।।
গোপৰ সুন্দৰী ঃ বজাৱে চাপৰি।
আঙ্গি-ভঙ্গি কৰি ঃ নাচে দেৱ হৰি।। ১০২ ।।
পসাৰি ডাকিল ঃ কোনে লৈবা ফল।
শুনিয়া চলিল ঃ কৃষ্ণ দয়াশীল।। ১০৩ ।।
ধান্যক দিলন্ত ঃ ফলক লৈলন্ত।
ৰত্ন অপৰ্যন্ত ঃ ভাণ্ড ভৰিলন্ত।। ১০৪ ।।
গকুল ভৱন ঃ তেজি নাৰায়ণ।
পাছে বৃন্দাবন ঃ কৰিলা গমন।। ১০৫ ।।
বৎস অসুৰ ঃ পৰম দন্দুৰ।
কৰি মষিমূৰ ঃ নিলা যমপুৰ।। ১০৬ ।।
আসি বকগোটে ঃ গিলিলেক চোটে।
তাক ধৰি ঠোঠে ঃ ছিৰিলা আস্ফোটে।। ১০৭ ।।
সৰ্পৰূপে আসি ঃ অঘে তুলি হাসি।
বদন প্ৰকাশি ঃ গিলিল গৰাসি।। ১০৮ ।।
ভেটিলন্ত গল ঃ ভকত বৎসল।
এৰি মূত্ৰ মল ঃ মৰিল নিশ্খল।। ১০৯ ।।
তাৰ কৰি কাল ঃ বৎস বৎসপাল।
জীয়ায়া তৎকাল ঃ বজাইলা গোপাল।। ১১০ ।।
সঙ্গে শিশুগণ ঃ ৰঙ্গে নাৰায়ণ।
অন্নব্যঞ্জন ঃ কৰিলা ভোজন।। ১১১ ।।
গোৰখ দামুৰি ঃ ব্ৰহ্মা কৰি চুৰি।
থৈয়া ঢাকি ঘূৰি ঃ গৈলা নিজ পুৰি।। ১১২ ।।
বৎস বৎসপাল ঃ হুয়া সেহিকাল।
আপুনি গোপাল ঃ গৈলা ব্ৰজশাল।। ১১৩ ।।
অনেক বিভূতি ঃ কৃষ্ণৰ মুৰুতি।
দেখিয়া বিস্মৃতি ঃ ব্ৰহ্মা ভৈলা ভীতি।। ১১৪ ।।
যেন মৃতৱৎ ঃ পৰিল হংসত।
নাহি আৰ তত ঃ চেতন গাৱত।। ১১৫ ।।
ব্ৰহ্মা মৰন্ত ঃ দেখি ভগৱন্ত।
ৰূপ ঢাকিলন্ত ঃ দুনাই জীলন্ত।। ১১৬ ।।
হংসযান এৰি ঃ চৰণত পৰি।
নানা তুতি কৰি ঃ গৃহে গৈলা লৰি।। ১১৭ ।।
ধেনুকাক মাৰি ঃ গাছক আছাৰি।
তাল ফল পাৰি ঃ ভুঞ্জাইলা মুৰাৰি।। ১১৮ ।।
তৃষ্ণায়ে আকুল ঃ হুয়া গোপকুল।
যমুনাৰ কূল ঃ গৈয়া হুয়া ভুল।। ১১৯ ।।
খাইল বিষজল ঃ ভৈলন্ত বিহুল।
জীৱন্তে বিকল ঃ মৰিল সকল।। ১২০ ।।
দেখি নাৰায়ণ ঃ অমৃত নয়ন।
চাহিলা তেখন ঃ লভিলা চেতন।। ১২১ ।।
কদম্বে চড়িলা ঃ হ্ৰদত পড়িলা।
কালিয়ে ঝড়িলা ঃ শিৰত চড়িলা।। ১২২ ।।
ফণাৰ উপৰে ঃ দেৱ দামোদৰে।
উঠি নৃত্য কৰে ঃ সিটো সৰ্প মৰে।। ১২৩ ।।
নাগ পত্নিচয় ঃ বুলিলা বিনয়।
কালিক নিৰ্ভয় ঃ দিলা কৃপাময়।। ১২৪ ।।
তীৰত চড়িলা ঃ জ্ঞাতিয়ে বেঢ়িলা।
গলত বান্ধিলা ঃ যশোদা কান্দিলা।। ১২৫ ।।
নিকালি কালিক ঃ পিলা বনাগ্নিক।
গোপ গোপিকাক ঃ ৰঞ্জিলা অধিক।। ১২৬ ।।
প্ৰলম্ব অশিষ্ট ঃ চিন্তিলা অনিষ্ট।
মাৰিলা গৰিষ্ঠ ঃ ৰাম বলিষ্ঠ।। ১২৭ ।।
বেঢ়ি মঞ্জুবন ঃ লাগে হুতাশন।
দেখি গোপগণ ঃ ভৈলা ভয় মন।। ১২৮ ।।
পাছে নাৰায়ণে ঃ সদয় নয়নে।
তাৰি ৰঙ্গমনে ঃ আনিলা তেখনে।। ১২৯ ।।
বসন্ত গ্ৰীষ্মত ঃ বৰ্ষা শৰতত।
ক্ৰীড়া নানামত ঃ কৰিলা ব্ৰজত।। ১৩০ ।।
এক চিত্ত কৰি ঃ গোপৰ কুমাৰী।
সাধে ব্ৰত ধৰি ঃ স্বামী হৈবা হৰি।। ১৩১ ।।
বস্ত্ৰ থৈয়া তীৰে ঃ কেৱল শৰীৰে।
যমুনাৰ নীৰে ঃ স্নানৈ ধীৰে ধীৰে।। ১৩২ ।।
কৃষ্ণে কৰি লীলা ঃ বস্ত্ৰক হৰিলা।
কদম্বে চড়িলা ঃ হাসি বস্ত্ৰ দিলা।। ১৩৩ ।।
কৰ্মক উচ্ছাদ ঃ বিপ্ৰক বিষাদ।
পত্নীক প্ৰসাদ ঃ দিলাহা আহ্লাদ।। ১৩৪ ।।
বদতি শঙ্কৰ ঃ শুনা সৱে নৰ।
আন পৰিহৰ ঃ ভজা দামোদৰ।। ১৩৫ ।।
দিন কতিপয় ঃ জীৱন নিশ্চয়।
যাইবা যমালয় ঃ নাহিকে সংশয়।। ১৩৬ ।।
বিনা লক্ষ্মীপতি ঃ নাহি আন গতি।
জানিয়া সম্প্ৰতি ঃ কৰিয়ো ভকতি।। ১৩৭ ।।
তেৰেসে নিস্তৰি ঃ পুৰুষ উদ্ধাৰি।
হৃদি ৰূপ ধৰি ঃ মুখে বোলা হৰি।। ১৩৮ ।।
কৃষ্ণ গুণ নাম ঃ ধৰ্ম অনুপাম।
এৰি আন কাম ঃ বোলা ৰাম ৰাম।। ১৩৯ ।।

**।। ঘোষা ।।**

**কহ হৰি ৰাম ঃ নকৰা বিৰাম ।।**

**।। পদ ।।**

লৈয়া গোপ সঙ্গ ঃ কৰি মখ ভঙ্গ।
বাসৱৰ খঙ্গ ঃ তোলাই ভৈলা ৰঙ্গ।। ১৪০ ।।
ইন্দ্ৰে ক্ৰোধিলা ঃ মেঘ পাঞ্চি দিলা।
শিলা বৰষিলা ঃ প্ৰলয় মিলিলা।। ১৪১ ।।
ইন্দ্ৰৰ দৰ্পক ঃ নাশি মন্দৰক।
তুলি উপৰক ঃ ৰাখিলা ব্ৰজক।। ১৪২ ।।
গৰ্ব পৰ্বতৰ ঃ নামি পুৰন্দৰ।
কৰিয়া কাতৰ ঃ চলি গৈলা ঘৰ।। ১৪৩ ।।
শৰত শীতল ঃ শশাঙ্ক ধৱল।
বৃন্দাবন স্থল ঃ দেখি কুতূহল।। ১৪৪ ।।
আতি সুললিত ঃ ৰঙ্গে গাইলা গীত।
গোপিকা সহিত ঃ কৰিলন্ত নৃত্য।। ১৪৫ ।।
লৈয়া গোপী মিলি ঃ কৰি ঠেলা ঠেলি।
কণ্ঠে বাহু মেলি ঃ কৰিলন্ত কেলি।। ১৪৬ ।।
যৈচন মাতঙ্গে ঃ হস্তিনীৰ সঙ্গে।
আতি অঙ্গে অঙ্গে ঃ ফুৰে লীলা ৰঙ্গে।। ১৪৭ ।।
কৃষ্ণৰ মূৰুতি ঃ আতি আসকতি।
গোপৰ যুৱতী ঃ ভ্ৰম ভৈল মতি।। ১৪৮ ।।
বসি ঠাৱে ঠাৱে ঃ কৃষ্ণগুণ গাৱে।
আতি প্ৰেমভাৱে ঃ দিৱস গৱাৱে।। ১৪৯ ।।
সৰ্পেক মিলিল ঃ নন্দক গিলিল।
পাৱে পৰশিল ঃ সিও নিস্তৰিল।। ১৫০ ।।
শঙ্খচূড় মাৰি ঃ গোপৰ কুমাৰী।
আনিলা উদ্ধাৰি ঃ ঈশ্বৰ মুৰাৰি।। ১৫১ ।।
বৰুণ কিঙ্কৰে ঃ নন্দক সত্বৰে।
নিল আড়ম্বৰে ঃ জলৰ ভিতৰে।। ১৫২ ।।
কৰে কোলাহল ঃ গোৱালসকল।
ভকতবৎসল ঃ পসিলন্ত জল।। ১৫৩ ।।
ভয় সম্পজিল ঃ বৰুণে যজিল।
পিতৃক তুষিল ঃ আশ্চৰ্য মিলিল।। ১৫৪ ।।
উদ্ধাৰি নন্দক ঃ দেখাই বৈকুণ্ঠক।
ব্ৰজৰ লোকক ঃ দিলা আনন্দক।। ১৫৫ ।।
প্ৰলম্ব অশিষ্ট ঃ চিন্তিলা অনিষ্ট।
মাৰিলা বলিষ্ঠ ঃ ৰাম গৰিষ্ঠ।। ১৫৬ ।।
অৰিষ্ট অসুৰ ঃ আইল গোপপুৰ।
তাক কৰি চুৰ ঃ নিলা যমপুৰ।। ১৫৭ ।।
কেশী দানৱ ঃ কৰে পৰাভৱ।
শুনি গলাৰৱ ঃ ধাইলন্ত মাধৱ।। ১৫৮ ।।
গোকোলত পশি ঃ কৰি ধসমষি।
কৃষ্ণক পৰশি ঃ সিও গৈল নাশি।। ১৫৯ ।।
ময়ৰ তনয় ঃ ব্যোম দুৰাশয়।
কৰিয়া দুৰ্নয় ঃ গৈল যমালয়।। ১৬০ ।।
নাৰদেও আসি ঃ কৃষ্ণক উপাসি।
বচন প্ৰকাশি ঃ গৈলন্ত সম্ভাষি।। ১৬১ ।।
কংসে পাঞ্চিল ঃ অক্ৰূৰে বাঞ্ছিল।
ভকতি সাঞ্চিল ঃ চেতন নাছিল।। ১৬২ ।।
কৃষ্ণ খোজচয় ঃ দেখি মহাশয়।
ভৈলন্ত বিস্ময় ঃ নসহে হৃদয়।। ১৬৩ ।।
ৰোম শিহৰি ঃ জাম্প দিয়া পৰি।
কৃষ্ণ কৃষ্ণ ৰড়ি ঃ ফুৰন্ত বাগৰি।। ১৬৪ ।।
অনন্তৰে গৈয়া ঃ কৃষ্ণক দেখিয়া।
প্ৰেম উপজিয়া ঃ দ্ৰৱ ভৈল হিয়া।। ১৬৫ ।।
পাৱত পৰিল ঃ লোতক ঝৰিল।
ভকতি কৰিল ঃ মাধৱে ধৰিল।। ১৬৬ ।।
কৰিলা সাদৰ ঃ দেৱদামোদৰ।
বিচেষ্টা কংসৰ ঃ জানি নিৰন্তৰ।। ১৬৭ ।।
কৰিলা পয়ান ঃ পুৰুষ পুৰাণ।
অনেক নিশান ঃ বজাইলা বিষাণ।। ১৬৮ ।।
দেখি গোপীচয় ঃ নসহে হৃদয়।
ক্ৰন্দন কৰয় ঃ লোতক ঝৰয়।। ১৬৯ ।।
দূতক পঠাইল ঃ মাধৱে বুজাইল।
ঘোঁৰাক ডকাইল ঃ অক্ৰূৰে খেদাইল।। ১৭০ ।।
চলে ৰথখান ঃ বায়ুৰ সমান।
কৰিবে মধ্যাহ্ন ঃ ৰাখিলন্ত যান।। ১৭১ ।।
ৰথ তৰুতলে ঃ থৈয়া মহাবলে।
অক্ৰূৰে সচলে ঃ বুৰ দিলা জলে।। ১৭২ ।।
অনন্ত শয্যাত ঃ কৃষ্ণক সাক্ষাত।
দেখি প্ৰণিপাত ঃ কৰি যোড়হাত।। ১৭৩ ।।
নানা তুতি ৰড়ি ঃ পাছে ৰথে চৰি।
মথুৰা নগৰী ঃ গৈলা দৰদৰি।। ১৭৪ ।।
অক্ৰূৰক হৰি ঃ পঠাই আগকৰি।
চাহিবে নগৰী ঃ চলি গৈলা হৰি।। ১৭৫ ।।
গজগতি লীলা ঃ মথুৰা ভ্ৰমিলা।
প্ৰজায়ে দেখিলা ঃ আনন্দ মিলিলা।। ১৭৬ ।।
বঢ়াই আতি ৰতি ঃ গোপৰ সঙ্গতি।
কৰি লীলা গতি ঃ যান্ত লক্ষ্মীপতি।। ১৭৭ ।।
যতেক সুন্দৰী ঃ আঞ্জলিক ভৰি।
পুষ্পবৃষ্টি কৰি ঃ পূঁজিলন্ত হৰি।। ১৭৮ ।।
দেখন্তে মূৰুতি ঃ আনন্দে স্ফূৰুতি।
হোৱে বিচুৰুতি ঃ যতেক যুৱতী।। ১৭৯ ।।
জুৰাই মন প্ৰাণ ঃ কৰে বহুমান।
নেত্ৰে কৰে পান ঃ নভাসয় আন।। ১৮০ ।।
ৰজকৰ কাল ঃ কৰিয়া তৎকাল।
বস্ত্ৰ ভাল ভাল ঃ লৈলন্ত গোপাল।। ১৮১ ।।
বেশকাৰ জন ঃ পিন্ধাইলা বসন।
সাৰুপ্য তেখন ঃ দিলা নাৰায়ণ।। ১৮২ ।।
মালা অনুপাম ঃ দিলেক সুদাম।
বৰ মন কাম ঃ দিলা কৃষ্ণৰাম।। ১৮৩ ।।
পিন্ধাইলা সুন্দৰী ঃ চন্দন সাদৰি।
তাইক ঋজু কৰি ঃ থৈলা দেৱহৰি।। ১৮৪ ।।
পশি যাগশাল ঃ ধৰিয়া তৎকাল।
ধনুক দুফাল ঃ কৰিলা গোপাল।। ১৮৫ ।।

পাচে নাৰায়ণ ঃ সঙ্গে গোপগণ।
কৰিয়া ভোজন ঃ কৰিলা শয়ন।। ১৮৬ ।।
প্ৰভাতে ৰজনী ঃ দুন্দুভিৰ ধ্বনি।
ৰাম কৃষ্ণ শুনি ঃ লৰিলা আপুনি।। ১৮৭ ।।
দ্বাৰৰ ওচৰ ঃ পাইলা যদুবৰ।
দেখিয়া কুঞ্জৰ ঃ ভেটিলা সত্তৰ।। ১৮৮ ।।
কৃষ্ণে তাক পাৰি ঃ দশন উভাড়ি।
মাৰিলন্ত বাড়ি ঃ প্ৰাণ গৈলা ছাড়ি।। ১৮৯ ।।
স্কন্ধে হস্তী দন্ত ঃ সভা পশিলন্ত।
শোভে লক্ষ্মীকান্ত ঃ ৰঙ্গে লোকে চান্ত।। ১৯০ ।।
চন্দ্ৰৰ মণ্ডল ঃ বদন বিমল।
তাতে ঘৰ্মজল ঃ ৰঞ্জে গণ্ডস্থল।। ১৯১ ।।
বাপৰ সম্পত্তি ঃ দেখি লক্ষ্মীপতি।
নাহিকে তৃপিতি ঃ চান্ত চতুৰ্ভিতি।। ১৯২ ।।
আইল যুজো বুলি ঃ চাণূৰে হাম্ফুলি।
আছাৰিয়া তুলি ঃ মাৰিলা সমূলি।। ১৯৩ ।।
মুষ্টিক ধৰিল ঃ সমৰ কৰিল।
ৰামে সংহৰিল ঃ লীলায়ে ফুৰিল।। ১৯৪ ।।
আনোযত মাল ঃ কৰয় আস্ফাল।
ধৰিয়া তৎকাল ঃ বধিলা গোপাল।। ১৯৫ ।।
বজাৰে বাজন ঃ ৰঙ্গে নাৰায়ণ।
সঙ্গে শিশুগণ ঃ কৰন্ত ভ্ৰমণ।। ১৯৬ ।।
চৰণ চলাই ঃ নূপুৰ বজাই।
নাচে যদুৰাই ঃ প্ৰজা আছে চাই।। ১৯৭ ।।
কৃষ্ণৰ কিঙ্কৰ ঃ ৰচিলা শঙ্কৰ।
শুনা সৰনৰ ঃ কৰ্ম কেশৱৰ।। ১৯৮ ।।
কত তপসাই ঃ নৰতনু পাই।
ভকতি বিনাই ঃ ব্যৰ্থে আয়ু যাই।। ১৯৯ ।।
আৰে বুধজন ঃ এৰা আন মন।
যাৱত চেতন ঃ ভজা নাৰায়ণ।। ২০০ ।।
নকৰা বিমতি ঃ কলিত সম্প্ৰতি।
বিনা লক্ষ্মীপতি ঃ নাহি আন গতি।। ২০১ ।।
জানি হেন কৰা ঃ কৃষ্ণক সুমৰা।
আপুনো নিস্তৰা ঃ পুৰুষ উদ্ধাৰা।। ২০২ ।।
মাধৱৰ নাম ঃ ধৰ্ম অনুপাম।
এৰি আন কাম ঃ বোলা ৰাম ৰাম।। ২০৩ ।।

**।। ঘোষা ।।**

**ত্ৰাহি ৰাম ত্ৰাহি ৰাম ঃ কৰোহো প্ৰণাম ।।**

**।। পদ ।।**

কংসে পাৰে গালি ঃ শুনি বনমালী।
ডেৰে চাঙ্গ চালি ঃ চড়িলা আটালি।। ২০৪ ।।
কেশত কংসৰে ঃ ধৰি বাম কৰে।
টানি আড়ম্বৰে ঃ পেলাইলা ঈশ্বৰে।। ২০৫ ।।
পাছে দামোদৰে ঃ তাহাৰ উপৰে।
জগতৰ ভৰে ঃ পৰিলা সত্বৰে।। ২০৬ ।।
মৰি কংসৰায় ঃ ধৰি দিব্যকায়।
বৈকুণ্ঠক পাই ঃ থাকিলা লীলায়।। ২০৭ ।।
পাছে যদুৰায় ঃ কংসক ঘঁষাই।
ফুৰাইলা লীলাই ঃ লোকক দেখাই।। ২০৮ ।।
তাৰ অষ্ট ভাই ঃ ক্ৰোধে আসে ধাই।
দেখি যদুৰায় ঃ মাৰিলা কোবাই।। ২০৯ ।।
পিতাৰ মাতাৰ ঃ নিহল লোহাৰ।
ছোড়ি বাৰম্বাৰ ঃ কৰি নমস্কাৰ।। ২১০ ।।
এন্তে চক্ৰপাণি ঃ মনে অনুমানি।
ডৰে দুয়ো প্ৰাণী ঃ নোবোলন্ত বাণী।। ২১১ ।।
মায়া আৱৰিল ঃ কৃষ্ণক ধৰিল।
ক্ৰন্দন কৰিল ঃ লোতক ঝড়িল।। ২১২ ।।
কৃষ্ণক ভকতি ঃ কৰি মহামতি।
উগ্ৰসেন তথি ঃ ভৈলন্ত নৃপতি।। ২১৩ ।।
পাছে নন্দ পাশ ঃ আসি শ্ৰীনিবাস।
কহে প্ৰিয় ভাষ ঃ কৰিয়া আশ্বাস।। ২১৪ ।।
শুনা ব্ৰজপতি ঃ চলা শীঘ্ৰ গতি।
শোক মোক প্ৰতি ঃ তেজিয়ো সম্প্ৰতি।। ২১৫ ।।
দিন কতমান ঃ থাকি ইটো স্থান।
তৱ সন্নিধান ঃ কৰিবো প্ৰয়াণ।। ২১৬ ।।
শুনি গোপকুল ঃ হিয়ে যেন শূল।
কান্দিয়া আকুল ঃ আসিয়া গোকুল।। ২১৭ ।।
গৰ্গ পুৰোহিত ঃ শাস্ত্ৰৰ বিহিত।
যজ্ঞ উপবীত ঃ দিলা হৰষিত।। ২১৮ ।।
ৰঙ্গে ৰাম হৰি ঃ ব্ৰহ্মচৰ্য্য ধৰি।
অৱন্তি নগৰী ঃ গৈলা লীলা কৰি।। ২১৯ ।।
গুৰুক বিনয় ঃ কৰি কৃপাময়।
পঢ়িলন্ত তয় ঃ যত শাস্ত্ৰচয়।। ২২০ ।।
পাছে শাস্ত্ৰ জানি ঃ গুৰু বাক্য মানি।
মৰা পুত্ৰ আনি ঃ দিলা চক্ৰপাণি।। ২২১ ।।
গোপীৰ প্ৰেমক ঃ জানি উদ্ধৱক।
পঠাই গোকুলক ঃ বুজাইলা নন্দক।। ২২২ ।।
কৃষ্ণক স্মৰিল ঃ চেতন হৰিল।
ক্ৰন্দন কৰিল ঃ লোতক ঝৰিল।। ২২৩ ।।
কৃষ্ণৰ বচন ঃ শুনি গোপীগণ।
প্ৰেমত ক্ৰন্দন ঃ কৰে অনুক্ষণ।। ২২৪ ।।
উদ্ধৱে বুজাইলা ঃ কিছু চুৰ্ত্তি পাইলা।
কৃষ্ণগুণ গাইলা ঃ দিৱস গোৱাইলা।। ২২৫ ।।
কৃষ্ণে কৰি লীলা ঃ বাক্য সাম্ফলিলা।
কুঁজীকো ৰমিলা ঃ মথুৰা ভ্ৰমিলা।। ২২৬ ।।
গৃহে অক্ৰূৰৰ ঃ গৈলা দামোদৰ।
অক্ৰূৰে বিস্তৰ ঃ কৰিলা সাদৰ।। ২২৭ ।।
মাগধ ৰাজাৰ ঃ সেনা বাৰে বাৰ।
কৰিয়া প্ৰহাৰ ঃ মাৰিলা অপাৰ।। ২২৮ ।।
দ্বাৰকাসকলে ঃ নিৰ্মিলাহা জলে।
প্ৰজাক সকলে ঃ নিলা যোগ বলে।। ২২৯ ।।
কাল যৱনৰ ঃ আগে মনোহৰ।
দেখাই কলেৱৰ ঃ যান্ত দামোদৰ।। ২৩০ ।।
যেন নৱঘন ঃ তনু বিতোপন।
পীত বসন ঃ কমল নয়ন।। ২৩১ ।।
কিৰীটি কুণ্ডলে ঃ অলঙ্কাৰ জ্বলে।
হাৰ বক্ষস্থলে ঃ পদ্মমালা গলে।। ২৩২ ।।

ৰত্নৰ মোলান ঃ বাহু চাৰিখান।
নাহিকে সমান ঃ সৰ্বাঙ্গে সুঠান।। ২৩৩ ।।
আজানুলম্বিত ঃ মেখলা কটিত।
পাট ভুনি পীত ঃ লোতয় মাটিত।। ২৩৪ ।।
চৰণ পল্লৱ ঃ নূপুৰৰ ৰৱ।
শুনন্তে উৎসৱ ঃ চলন্ত মাধৱ।। ২৩৫ ।।
যৱনে দেখিল ঃ পাছত খেদিল।
লাগল নেদিল ঃ গহ্বৰে পশিল।। ২৩৬ ।।
মুচুকুন্দ ৰায় ঃ শুতিয়া তথায়।
আছে নিদ্ৰা যায় ঃ তাঙ্ক গৈয়া পাই।। ২৩৭ ।।
মাৰিল চৰণে ঃ জাগিল তেখনে।
চাহিলা নয়নে ঃ মৰিল তেখনে।। ২৩৮ ।।
দেখিল নৃপতি ঃ পাছে যদুপতি।
কৰিলন্ত স্তুতি ঃ অনেক ভকতি।। ২৩৯ ।।
কৈলা উপদেশ ঃ মাধৱে নিশেষ।
ৰাজা ছাড়ি দেশ ঃ এৰাইলন্ত ক্লেশ।। ২৪০ ।।
কৃষ্ণ পদে ৰতি ঃ কৰি মহামতি।
পাইলন্ত নৃপতি ঃ ভগৱন্ত গতি।। ২৪১ ।।
ৰেৱত নৃপতি ঃ দুহিতা ৰেৱতী।
বিহাইলন্ত তথি ঃ বলো মহামতি।। ২৪২ ।।
ভীষ্মক দুহিতা ঃ ৰূপে আনন্দিতা।
কৰে সুচৰিতা ঃ কৃষ্ণ পতি চিন্তা।। ২৪৩ ।।
তান ভাই জ্যেষ্ঠ ঃ ৰুক্মবীৰ দুষ্ট।
কৃষ্ণৰ অনিষ্ট ঃ চিন্তয় অশিষ্ট।। ২৪৪ ।।
ৰুক্মিণী শুনিল ঃ ৰুক্ম দুষ্টশীল।
মাধৱে বঞ্চিল ঃ শিশুপাল দিল।। ২৪৫ ।।
শোক উঠলিল ঃ ক্ৰন্দন কৰিল।
চিত্ত প্ৰবোধিল ঃ উপায় স্ৰজিল।। ২৪৬ ।।
পত্ৰক গোপনে ঃ লিখিয়া আপুনে।
পঠাইল ব্ৰাহ্মণে ঃ দ্বাৰকা ভূৱনে।। ২৪৭ ।।
সেহি বাক্য ধৰি ঃ পাছে দেৱ হৰি।
বিদৰ্ভ নগৰী ঃ গৈলা শীঘ্ৰকৰি।। ২৪৮ ।।
দুষ্ট ৰাজাগণ ঃ জিনি নাৰায়ণ।
ৰুক্মিণীহৰণ ঃ কৰিলা তেখন।। ২৪৯ ।।
ৰুক্মী যুদ্ধ দিল ঃ মাধৱে জিনিল।
চক্ৰুক ধৰিল ঃ মুণ্ডন কৰিল।। ২৫০ ।।
পাছে দেৱহৰি ঃ আসি নিজ পুৰি।
ৰুক্মিণী সুন্দৰী ঃ বিহাইলা আদৰি।। ২৫১ ।।
আৰাধি সূৰ্য্যক ঃ পায়া স্যমন্তক।
সত্ৰাজিতে তাক ঃ আনিলা গৃহক।। ২৫২ ।।
খোজে নাৰায়ণে ঃ নেদিলে দুৰ্জ্জনে।
পিন্ধিয়া প্ৰসেনে ঃ চলি গৈলা বনে।। ২৫৩ ।।
সিংহে দেখিল ঃ তাহাঙ্ক বধিল।
স্যমন্তক নিল ঃ পৰ্বতে চড়িল।। ২৫৪ ।।
দেখি জাম্বৱন্ত ঃ তাক মাৰিলন্ত।
মণিক লৈলন্ত ঃ গৰ্ত্তক গৈলন্ত।। ২৫৫ ।।
উঠি গৈল তঙ্ক ঃ সত্ৰাজিত ৰঙ্ক।
কৃষ্ণক কলঙ্ক ঃ দিলেক নিঃশঙ্ক।। ২৫৬ ।।
জানি নাৰায়ণ ঃ লৈয়া সেনাগণ।
মণিৰ কাৰণ ঃ প্ৰৱেশিলা বন।। ২৫৭ ।।
বুজি সৱে তত্ত্ব ঃ গৰ্ত্তৰ বাজত।
থৈয়া সেনা যত ঃ পশিল গৰ্ত্তত।। ২৫৮ ।।
জিনি ঋক্ষপতি ঃ দেৱ যদুপতি।
স্যমন্ত সহিতি ঃ পাইলা জাম্বৱতী।। ২৫৯ ।।
দ্বাৰকাক আইলা ঃ মণিক দেখাইলা।
কলঙ্ক এৰাইলা ঃ আনন্দক পাইলা।। ২৬০ ।।
সবাৰ সাক্ষাতে ঃ মণিক তথাতে।
সত্ৰাজিত হাতে ঃ দিলা জগন্নাথে।। ২৬১ ।।
পাছে সত্ৰাজিত ঃ স্যমন্ত সহিত।
কন্যাৰ লগত ঃ দিলন্ত হৰিত।। ২৬২ ।।
কালিন্দী সুন্দৰী ঃ সাধে তপ কৰি।
জানি তাক হৰি ঃ আনিলা আদৰি।। ২৬৩ ।।
মিত্ৰৱিন্দা সতী ঃ আতি ৰূপৱতী।
পায়া যদুপতি ঃ আইলা দ্বাৰাৱতী।। ২৬৪ ।।
জিনি বৃষ সাত ঃ দেৱ যদুনাথ।
সত্যাক তথাত ঃ বিহাইলা সাক্ষাত।। ২৬৫ ।।
আত অনন্তৰে ঃ বিহাইলা সত্বৰে।
ভদ্ৰাক সাদৰে ঃ দেৱ দামোদৰে।। ২৬৬ ।।
বাণক প্ৰহাৰি ঃ লক্ষ্যক বিদাৰি।
লক্ষণা কুমাৰী ঃ আনিলা মুৰাৰি।। ২৬৭ ।।
ৰূপে আষৰিষি ঃ অষ্টম মহিষী।
বিহাইলন্ত হৰি ঃ বিক্ৰম দৰশি।। ২৬৮ ।।
ৰুক্মিণী নন্দন ঃ ভৈলন্ত মদন।
ৰূপে বিতোপন ঃ যেন নৱঘন।। ২৬৯ ।।
পাছে তাঙ্ক ঘৰে ঃ হৰিল সম্বৰে।
মাৰিবাৰ তৰে ঃ পেলাইলা সাগৰে।। ২৭০ ।।
দানৱক মাৰি ঃ পায়া নিজ নাৰী।
আইলা শীঘ্ৰ কৰি ঃ দ্বাৰকা নগৰী।। ২৭১ ।।
নৰককে মাৰি ঃ আনন্দে মুৰাৰি।
যোড়শ হাজাৰী ঃ পাইলা দিব্য নাৰী।। ২৭২ ।।
শুনি প্ৰিয়াবাণী ঃ জিনি বজ্ৰপাণি।
পাৰিজাত আনি ঃ ৰুইলা চক্ৰপাণি।। ২৭৩ ।।
সুধৰ্ম্মা সভাক ঃ পঠাই দ্বাৰকাক।
বুলি স্তুতিবাক ঃ গৈলা দেৱজাক।। ২৭৪ ।।
দেৱৰ সম্পত্তি ঃ দ্বাৰকাক প্ৰতি।
আনি যদুপতি ঃ কৰিলন্ত ৰতি।। ২৭৫ ।।
পৰিহাস কৰি ঃ বুলিলন্ত হৰি।
ৰুক্মিণী সুন্দৰী ঃ শুনি গৈলা ডৰি।। ২৭৬ ।।
কৃষ্ণ পৰিহাস ঃ শুনিয়া নৈৰাশ।
ভৈলন্ত হতাশ ঃ নোহ্লাই উশাহ।। ২৭৭ ।।
মৰ্ম গৈল জ্বলি ঃ পৰিলন্ত ঢলি।
কেশৰে আকুলি ঃ চাৰি বাহু মেলি।। ২৭৮ ।।
ধৰিলন্ত তুলি ঃ মলচিল ধূলি।
প্ৰিয় বাক্য বুলি ঃ বান্ধিলন্ত চুলি।। ২৭৯ ।।
লভিলা চেতন ঃ বুলিলা বচন।
প্ৰেমে অনুক্ষণ ঃ ঝৰয় নয়ন।। ২৮০ ।।

প্ৰিয়ায়ে সহিতে ঃ সকৰুণ চিত্তে।
ক্ৰীড়িলা তহিতে ঃ বদন হসিতে।। ২৮১ ।।
একৈক ভাৰ্য্যাত ঃ দশ দশ জাত।
তনয় সাক্ষাত ঃ জগত প্ৰখ্যাত।। ২৮২ ।।
কৃষ্ণ পুত্ৰ নাতি ঃ ভৰিলেক আতি।
ৰঙ্গে দিনে ৰাতি ঃ বঞ্চে যত জ্ঞাতি।। ২৮৩ ।।
প্ৰদ্যুম্ন তনয় ঃ ভৈলন্ত দুৰ্জ্জয়।
অনিৰুদ্ধ তয় ঃ অতি শোভনয়।। ২৮৪ ।।
তান বিৱাহত ঃ বলোৰ হাতত।
আপোন ঘৰত ঃ ৰুক্মী ভৈল হত।। ২৮৫ ।।
যোড়শ হাজাৰ ঃ মন্দিৰ অপাৰ।
কৰিল বিহাৰ ঃ জগত আধাৰ।। ২৮৬ ।।
ঊষাক হৰিল ঃ বন্ধন কৰিল।
মাধৱে শুনিল ঃ যুদ্ধক চলিল।। ২৮৭ ।।
বাণৰ কাতৰে ঃ যুজিলন্ত হৰে।
বিজৃম্ভণ শৰে ঃ মোহিত শঙ্কৰে।। ২৮৮ ।।
স্তুতি আৰম্ভিলা ঃ মাধৱে দেখিলা।
যুদ্ধ উপেখিলা ঃ বাণক ৰাখিলা।। ২৮৯ ।।
দানৱ মুগুধ ঃ এৰিলন্ত যুদ্ধ।
দিলা হুয়া শুদ্ধ ঃ ঊষা অনিৰুদ্ধ।। ২৯০ ।।
কৃষ্ণে ৰঙ্গ পাইল ঃ দ্বাৰকাক আইল।
বিৱাহ কৰাইল ঃ বাজন বজাইল।। ২৯১ ।।
বাম হাতে ধৰি ঃ নৃগক উদ্ধাৰি।
দ্বাৰকা নগৰী ঃ ৰঙ্গে গৈলা হৰি।। ২৯২ ।।
গৃহৰ সম্পদ ঃ দেখিয়া নাৰদ।
নয়ন তবধ ঃ ভৈলা নিশবদ।। ২৯৩ ।।
হৰিদ্বেষী ধন্ধ ঃ ৰাজা জৰাসন্ধ।
কৰিয়া প্ৰবন্ধ ঃ নিপাতিলা স্কন্ধ।। ২৯৪ ।।
পশিল শৰণ ঃ যত ৰাজাগণ।
ছোড়াইলা বন্ধন ঃ দেৱ নাৰায়ণ।। ২৯৫ ।।
ৰূপে বিতোপন ঃ দিলা দৰিশন।
দেখি ৰাজাগণ ঃ হৰিষিত মন।। ২৯৬ ।।
পাৰত পৰিল ঃ প্ৰেম উপজিল।
লোতক ঝৰিল ঃ ক্ৰন্দন কৰিল।। ২৯৭ ।।
পাছে হৃষিকেশ ঃ গুচাই সৱ ক্লেশ।
ভূষিয়া আশেষ ঃ পঠাই দিলা দেশ।। ২৯৮ ।।
যুধিষ্ঠিৰ ৰাই ঃ মাধৱক পাই।
অৱনত কায় ঃ অৰ্চ্চিলা সদায়।। ২৯৯ ।।
ৰাজা শিশুপালে ঃ গৰ্জ্জিলা আস্ফালে।
সেহি যজ্ঞশালে ঃ বধিলা গোপালে।। ৩০০ ।।
কুৰু পাণ্ডুবল ঃ খেলাই পাশা ছল।
মিলাইলা কন্দল ঃ ভকত বৎসল।। ৩০১ ।।
মহা ভয়ঙ্কৰ ঃ মিলাইলা সমৰ।
পৃথিৱীৰ ভাৰ ঃ হৰিলা ঈশ্বৰ।। ৩০২ ।।
পৌণ্ড্ৰক ৰাজাৰ ঃ শুনি অহঙ্কাৰ।
শিৰ ছেদি তাৰ ঃ চিন্তিলাহা মাৰ।। ৩০৩ ।।
শাল্ব নৃপতি ঃ যুদ্ধক সম্প্ৰতি।
দ্বাৰকাক প্ৰতি ঃ আসিলা দুৰ্ম্মতি।। ৩০৪ ।।
বেঢ়ি দ্বাৰকাক ঃ হানি অস্ত্ৰজাক।
মিলাইলা বিপাক ঃ খেদি আইলা তাক।। ৩০৫ ।।
হাতে চক্ৰ ধৰি ঃ দেৱ শ্ৰীহৰি।
শাল্বক সংহৰি ঃ ৰৈলা ৰঙ্গ কৰি।। ৩০৬ ।।
বিদূৰথক ঃ দন্তবক্ৰক।
লগাইলা চমক ঃ ডকাইলা জমক।। ৩০৭ ।।
দ্বাৰকাক থিৰ ঃ কৰি মহাবীৰ।
কাশী নৃপতিৰ ঃ ছেদিলন্ত শিৰ।। ৩০৮ ।।
ৰিপু নৃপ যত ঃ সমৰে শকত।
সৱাকো ৰণত ঃ কৰিলাহা হত।। ৩০৯ ।।
বদতি শঙ্কৰ ঃ শুনা সৱে নৰ।
ইটো সাৰতৰ ঃ বেদৰ উত্তৰ।। ৩১০ ।।
হৰি বিনে আৰ ঃ নাহিকে নিস্তাৰ।
অসাৰ সংসাৰ ঃ জানা সাৰেসাৰ।। ৩১১ ।।
পৰলোক ভয় ঃ এৰো নুপজয়।
ঘোৰ যমালয় ঃ গমন নিশ্চয়।। ৩১২ ।।
কেনমতে তাত ঃ যাতনাৰ হাত।
ঘোৰ উতপাত ঃ এৰাইবা সাক্ষাত।। ৩১৩ ।।
পাতক হৰণ ঃ দুৰ্গতি তাৰণ।
হৰিৰ চৰণ ঃ পশিয়ো শৰণ।। ৩১৪ ।।
ঘোৰ কলিকাল ঃ অধৰ্ম বিশাল।
এৰা আলজাল ঃ ভজিও গোপাল।। ৩১৫ ।।
কৃষ্ণ গুণনাম ঃ ধৰ্ম অনুপাম।
এৰি আন কাম ঃ বোলা ৰাম ৰাম।। ৩১৬ ।।

**।। ঘোষা ।।**

**ত্ৰাহি হৰি ৰাম ঃ বোল অৰিশ্ৰাম ।।**

**।। পদ ।।**

ৰাম কৰি লীলা ঃ ব্ৰজক ক্ৰীড়িলা।
লাঙ্গল টানিলা ঃ যমুনা আনিলা।। ৩১৭ ।।
দ্বিৱিদ বানৰে ঃ উপদ্ৰৱ কৰে।
মাৰিলা সমৰে ঃ দেৱ হলধৰে।। ৩১৮ ।।
তীৰ্থ স্নান কৰি ঃ কৰ্মক প্ৰচাৰি।
কুশক প্ৰহাৰি ঃ সূত থৈলা মাৰি।। ৩১৯ ।।
পৰম দন্দুৰ ঃ বল্বল অসুৰ।
কৰি মষিমূৰ ঃ নিলা যমপুৰ।। ৩২০ ।।
সাম্যৰ নিদান ঃ পুৰুষ পুৰাণ।
কৌৰৱৰ থান ঃ কৰিলা প্ৰয়াণ।। ৩২১ ।।
কৌৰৱৰ ছল ঃ দেখি মহাবল।
জ্বলে ক্ৰোধানল ঃ ভেজাইলা লাঙ্গল।। ৩২২ ।।
ঊভতৈ নগৰ ঃ ভয়ে তৰতৰ।
কৰিয়া কাতৰ ঃ দিলা কন্যাবৰ।। ৩২৩ ।।
সুভদ্ৰা বৰিলা ঃ অৰ্জ্জুনে হৰিলা।
বলোৱে শুনিলা ঃ লাঙ্গল ধৰিলা।। ৩২৪ ।।
দেখি লক্ষ্মীপতি ঃ বুলিলা মিনতি।
তুষ্ট ভৈলা মতি ঃ পাণ্ডৱৰ প্ৰতি।। ৩২৫ ।।
বলোৰ চৰিত্ৰ ঃ আতি বিপৰীত।
হৰয় দুষিত ঃ শুনন্তে অমৃত।। ৩২৬ ।।
বিপ্ৰ দামোদৰ ঃ দ্বাৰকা নগৰ।

গৈলা মনোহৰ ঃ মাধৱৰ ঘৰ।। ৩২৭ ।।
মাধৱে ধৰিল ঃ প্ৰণতি কৰিল।
প্ৰেম উপজিল ঃ লোতক ঝৰিল।। ৩২৮ ।।
অনেক সাদৰি ঃ ভৃঙ্গাৰক ধৰি।
ধুৱাইলন্ত ভৰি ঃ অৰ্চ্চিলন্ত হৰি।। ৩২৯ ।।
কৰুণাসদন ঃ দৈৱকী নন্দন।
কৰিলা বন্দন ঃ পিন্ধাইলা চন্দন।। ৩৩০ ।।
কহিয়া কাহিনী ঃ বুলি প্ৰিয়বাণী।
চাউল চিৰা আনি ঃ ভুঞ্জি চক্ৰপাণি।। ৩৩১ ।।
ইন্দ্ৰৰ বিভূতি ঃ দিলন্ত ভূমিতি।
পাইলন্ত ভুকুতি ঃ অনন্ত মুকতি।। ৩৩২ ।।
দাৰিদ্ৰ্য ভঞ্জন ঃ পাতক গঞ্জন।
ভকত ৰঞ্জন ঃ দেৱনিৰঞ্জন।। ৩৩৩ ।।
জনকৰ ঘৰ ঃ গৈলা দামোদৰ।
নৃপতি বিস্তৰ ঃ কৰিলা সাদৰ।। ৩৩৪ ।।
শ্ৰুত দেৱৰায় ঃ মাধৱক পাই।
অৱনত কায় ঃ অৰ্চিলা সদায়।। ৩৩৫ ।।
কৰিলন্ত তুতি ঃ তযু যদুপতি।
গুণনামে গতি ঃ জানিলো সম্প্ৰতি।। ৩৩৬ ।।
জানো নিৰন্তৰ ঃ কৰ্মীৰ মনৰ।
থাকন্তে অন্তৰ ঃ হোৱা দামোদৰ।। ৩৩৭ ।।
শ্ৰৱণ কীৰ্ত্তন ঃ কৰে যিটোজন।
তাতেসে প্ৰসন্ন ঃ হোৱা নাৰায়ণ।। ৩৩৮ ।।
ভকতি বিনয় ঃ শুনি কৃপাময়।
পৰম নিশ্চয় ঃ দিলা সুধাশয়।। ৩৩৯ ।।
কহিলন্ত পথ ঃ পূৰি মনোৰথ।
দ্বাৰকাৰ পথ ঃ চলাইলন্ত ৰথ।। ৩৪০ ।।
কোন পথ সন্ত ঃ ৰাজা পুছিলন্ত।
শুনিয়া মহন্ত ঃ শুকে কহিলন্ত।। ৩৪১ ।।
শুনা নৃপবৰ ঃ বেদৰ উত্তৰ।
ভকতিত পৰ ঃ নাহি সাৰতৰ।। ৩৪২ ।।
শিৱৰ ৰতন ঃ শাস্ত্ৰৰ বচন।
শ্ৰৱণ কীৰ্ত্তন ঃ কৰে অনুক্ষণ।। ৩৪৩ ।।
ইসে পন্থ সন্ত ঃ কৈলা ভগৱন্ত।
নপাই আৰ অন্ত ঃ সংসাৰে মজন্ত।। ৩৪৪ ।।
পিতৃৰ বচনে ঃ যজ্ঞ ৰঙ্গমনে।
কৰাই বস্ত্ৰধনে ঃ তুষিলা ব্ৰাহ্মণে।। ৩৪৫ ।।
গোপিকা সহিতি ঃ মিলিলা তহিতি।
ভকতিৰ ৰীতি ঃ কহিলা পীৰিতি।। ৩৪৬ ।।
নন্দ যশোদাক ঃ বুলি প্ৰিয় বাক।
গৈলা দ্বাৰকাক ঃ যত যদুজাক।। ৩৪৭ ।।
প্ৰাৰ্থিলন্ত জানি ঃ দৈৱকী গোসানী।
ছয় পুত্ৰ আনি ঃ দিলা চক্ৰপাণি।। ৩৪৮ ।।
দেৱ কৃপাময় ঃ আনিদিলা তয়।
বিপ্ৰৰ তনয় ঃ ৰাখি ধনঞ্জয়।। ৩৪৯ ।।
বীৰ নিপুণ ঃ আনন্দে আপুন।
যত হৰি গুণ ঃ বৰ্ণাইলা অৰ্জ্জুন।। ৩৫০ ।।

জগত আধাৰ ঃ দৈৱকী কুমাৰ।
সংসাৰত সাৰ ঃ ভৈলা অৱতাৰ।। ৩৫১ ।।
লীলা বিহাৰ ঃ কৰিলা অপাৰ।
তাক কহিবাৰ ঃ শকতি কাহাৰ।। ৩৫২ ।।
শুনা নিৰন্তৰ ঃ কৰ্ম্ম কেশৱৰ।
কৃষ্ণৰ কিঙ্কৰ ঃ ৰচিলা শঙ্কৰ।। ৩৫৩ ।।
কত তপসাই ঃ নৰ তনু পাই।
ভকতি বিনাই ঃ ব্যৰ্থে আয়ু যায়।। ৩৫৪ ।।
মাধৱেসে পিতা ঃ মাধৱেসে মাতা।
মাধৱেসে ধাতা ঃ মাধৱেসে দাতা।। ৩৫৫ ।।
মাধৱত পৰ ঃ ত্ৰৈলোক্য ভিতৰ।
নাহিকে ঈশ্বৰ ঃ জানা সাৰতৰ।। ৩৫৬ ।।
মিলিবে মৰণ ঃ জগত তাৰণ।
কৃষ্ণৰ চৰণ ঃ পশিয়ো শৰণ।। ৩৫৭ ।।
দুৰ্ঘোৰ কলিত ঃ চিন্তিয়োক হিত।
মাধৱত চিত্ত ঃ দিয়া প্ৰতিনিত।। ৩৫৮ ।।
আয়ু আলে জালে ঃ যাই পাইলে কালে।
ভজিও সকলে ঃ ৰাখিব গোপালে।। ৩৫৯ ।।
গুণচিন্তামণি ঃ দুৰ্গতি তৰণি।
পাপৰ অগনি ঃ ঘোষিয়োক চানি।। ৩৬০ ।।
নাহিকে চেতন ঃ কেদিন জীৱন।
হৰিৰ কীৰ্ত্তন ঃ কৰিয়ো যতন।। ৩৬১ ।।
কীৰ্ত্তন বিনাই ঃ আন পুণ্য নাই।
শাস্ত্ৰ অভিপ্ৰায় ঃ বুজিয়োক চাই।। ৩৬২ ।।
তেৰেসে নিস্তৰি ঃ চিত্ত দৃঢ় কৰি।
হৃদি ৰূপ ধৰি ঃ বোলা হৰি হৰি।। ৩৬৩ ।।

**।। ঘোষা ।।**

**বোলা ৰাম ৰাম ঃ ছাড় আন কাম ।।**

**।। পদ ।।**

কৃষ্ণৰ পৰম ঃ জনম কৰম।
ভৈল অনুক্ৰম ঃ সম্পূৰ্ণ দশম।। ৩৬৪ ।।
আৰে একাদশ ঃ শুনা কৃষ্ণ যশ।
মুকুতিৰ ৰস ঃ ভকতি সৰ্ব্বস।। ৩৬৫ ।।
ভাৰ সংহৰি ঃ পৃথিৱী উদ্ধাৰি।
বিমৰিষ কৰি ঃ বুলিলন্ত হৰি।। ৩৬৬ ।।
ইটো যদুকুল ঃ ভাৰ সুবিপুল।
লগাই হুলস্থূল ঃ কৰিবো নিৰ্মূল।। ৩৬৭ ।।
অনাই ঋষিবল ঃ দিয়াই শাপছল।
মিলাইলা মুষল ঃ দেখন্তে বিহ্বল।। ৩৬৮ ।।
ত্ৰিদশে সহিতি ঃ আসি প্ৰজাপতি।
কৰিলন্ত নীতি ঃ অনেক ভকতি।। ৩৬৯ ।।
ভকত বান্ধৱ ঃ কুল পৰাভৱ।
কৰিবে মাধৱ ঃ জানিল উদ্ধৱ।। ৩৭০ ।।
বুজি সৱেমত ঃ কৃষ্ণৰ আগত।
পৰি দণ্ডৱত ঃ বোলে বিৰলত।। ৩৭১ ।।
কুলক সংহৰি ঃ মোক পৰিহৰি।
বৈকুণ্ঠ নগৰী ঃ চলিবাহা হৰি।। ৩৭২ ।।
মোৰ প্ৰাণধন ঃ তোমাৰ চৰণ।

নাপাই নাৰায়ণ ঃ তেজিবো জীৱন।। ৩৭৩ ।।
তোহ্মাৰ কিঙ্কৰ ঃ কৰোহো কাতৰ।
নকৰা অন্তৰ ঃ মোক দামোদৰ।। ৩৭৪ ।।
ধৰিয়া চৰণে ঃ বিনয় বচনে।
লোতক নয়নে ঃ কৰে অনুক্ষণে।। ৩৭৫ ।।
উদ্ধৱ মহন্ত ঃ পৰিয়া কান্দন্ত।
দেখি ভগৱন্ত ঃ হাসিয়া বোলন্ত।। ৩৭৬ ।।
মোহোৰ হৃদয় ঃ পাইলা মহাশয়।
কৰি কুলক্ষয় ঃ চলিবো নিশ্চয়।। ৩৭৭ ।।
ভৈল বিৰকতি ঃ জ্ঞানে মহামতি।
কহিবো সম্প্ৰতি ঃ স্থিৰ কৰা মতি।। ৩৭৮ ।।
যত মহা জ্ঞান ঃ যত যোগ ধ্যান।
কৰিল ব্যাখ্যান ঃ পুৰুষপুৰাণ।। ৩৭৯ ।।
দেখাইলন্ত সম ঃ কৈলা নিৰূপম।
ভক্তি মুখ্যতম ঃ পুৰুষ উত্তম।। ৩৮০ ।।
নিৰ্গুণ ভকতি ঃ নিৰ্গুণত মতি।
নিৰ্গুণত ৰতি ঃ নিৰ্গুণত গতি।। ৩৮১ ।।
নিৰ্গুণত ধ্যান ঃ নিৰ্গুণত জ্ঞান।
নিৰ্গুণত স্থান ঃ কৈলা সৰ্বজান।। ৩৮২ ।।
জ্ঞানত কৰ্মত ঃ কৰি সাৰতত্ত্ব।
ভকতি যিমত ঃ কৰিলো বেকত।। ৩৮৩ ।।
ব্ৰহ্মা লক্ষ্মী হৰ ঃ ইটো কলেৱৰ।
তাতো শ্ৰেষ্ঠতৰ ঃ ভক্ত প্ৰিয়তৰ।। ৩৮৪ ।।
ভকতেসে জ্ঞান ঃ ভকতেসে ধ্যান।
ভকত সমান ঃ নাহি মোৰ আন।। ৩৮৫ ।।
দেৱত তীৰ্থত ঃ কৰিয়া ভকত।
তাৰিবে শকত ঃ কহিলো বেকত।। ৩৮৬ ।।
চিত্তে মোক ধৰি ঃ শোক পৰিহৰি।
দ্বাৰকাক এৰি ঃ চলা শীঘ্ৰকৰি।। ৩৮৭ ।।
দেখিয়োক সম ঃ যায়ো নিৰূপম।
বদৰিকাশ্ৰম ঃ উদ্ধৱ উত্তম।। ৩৮৮ ।।
শুনি মহাবীৰ ঃ চিত্ত নোহে থিৰ।
কৃষ্ণ পাৱে শিৰ ঃ থৈয়া ঝৰে নীৰ।। ৩৮৯ ।।
চৰণ নেৰন্ত ঃ প্ৰেমত কান্দন্ত।
দেখি ভগৱন্ত ঃ প্ৰবোধ বোলন্ত।। ৩৯০ ।।
উঠিয়োক সখি ঃ হিয়ে মোক দেখি।
বাহিৰে নিৰেখি ঃ ভ্ৰমিয়োক সখি।। ৩৯১ ।।
কৃষ্ণৰ বচন ঃ শুনি সন্ধুক্ষণ।
কৰিল গমন ঃ নচলে চৰণ।। ৩৯২ ।।
খৰম দুখানি ঃ মাথেবান্ধি আনি।
হিয়ে মুঠিহানি ঃ যান্ত মহামানী।। ৩৯৩ ।।
দ্বাৰকাৰ বাজ ঃ হুয়া বুজি কাজ।
পশি বন মাজ ঃ ৰইলা যদুৰাজ।। ৩৯৪ ।।
মাধৱে চিন্তিল ঃ জ্ঞাতিক নিখিল।
প্ৰভাসক নিল ঃ জলত স্নানিল।। ৩৯৫ ।।
দানক দিয়াইল ঃ বাৰুণী পিয়াইল।
প্ৰমত্ত কৰাইল ঃ মাদুৰী হনাইল।। ৩৯৬ ।।
হৰিল চেতন ঃ যত যদুগণ।
কৰিলেক ৰণ ঃ মিলিল মৰণ।। ৩৯৭ ।।

কৰি চিত্ত থিৰ ঃ ৰাম মহাবীৰ।
প্ৰভাসৰ তীৰ ঃ তেজিল শৰীৰ।। ৩৯৮ ।।
কৃষ্ণ স্নানি জলে ঃ অশ্বত্থৰ তলে।
বসিলা একলে ঃ তনু আতি জ্বলে।। ৩৯৯ ।।
পীত বসন ঃ ৰুচিৰ দশন।
হসিত বয়ন ঃ কমল নয়ন।। ৪০০ ।।
খচিত কনক ঃ ৰত্নৰ তিলক।
কুটিল অলক ঃ শোভে কপোলক।। ৪০১ ।।
মুকুট মাথাত ঃ ৰঞ্জে ৰত্ন তাত।
শ্ৰীবৎস হিয়াত ঃ চাৰু চাৰিহাত।। ৪০২ ।।
মকৰ কুণ্ডল ঃ শোভে গণ্ডস্থল।
চাৰু কম্বুগল ঃ কৌস্তুভে উজ্জ্বল।। ৪০৩ ।।
হিয়ে হেমহাৰ ঃ ৰত্নে জাতিস্কাৰ।
দিব্য মুকুতাৰ ঃ ৰঞ্জে অলঙ্কাৰ।। ৪০৪ ।।
বনমালা উৰে ঃ আতি জ্যোতি কৰে।
মধু মধুকৰে ঃ ভুঞ্জিয়া গুঞ্জৰে।। ৪০৫ ।।
কনকে গঠিত ঃ মেখলা কটিত।
জঙ্ঘা সুবলিত ঃ হোড়ৰে জড়িত।। ৪০৬ ।।
চৰণ কমল ঃ নূপুৰে উজ্জ্বল।
আতি সুকোমল ঃ ৰঙাপদতল।। ৪০৭ ।।
ধ্বজ বজ্ৰ যৱ ঃ চিহ্ন অভিনৱ।
দেখন্তে উৎসৱ ঃ আচন্ত মাধৱ।। ৪০৮ ।।
অৰণ্যত পশি ঃ কৃষ্ণ মহাযশী।
প্ৰকাশন্ত বসি ঃ যেন কোটি শশী।। ৪০৯ ।।
ব্যাধেক আসিল ঃ বাণ প্ৰহাৰিল।
লাগিল জানিল ঃ খেদিয়া আসিল।। ৪১০ ।।
কৃষ্ণক দেখিল ঃ পৰিয়া কান্দিল।
নিৰ্ভয় বুলিল ঃ স্বৰ্গক চলিল।। ৪১১ ।।
প্ৰভু ভগৱন্ত ঃ বসিয়া আছন্ত।
দেখি পৰিলন্ত ঃ দাৰুক মহন্ত।। ৪১২ ।।
চাৰিয়ো ঘোটক ঃ সহিতে ৰথক।
পঠাই বৈকুণ্ঠক ঃ চাইলা দাৰুকক।। ৪১৩ ।।
বুলিলন্ত বাক ঃ চলা দ্বাৰকাক।
যি ভৈল বিপাক ঃ কহিয়ো বাৰ্ত্তাক।। ৪১৪ ।।
শুনি চলিলন্ত ঃ দাৰুক মহন্ত।
শোকত কান্দন্ত ঃ লোতক ঝৰন্ত।। ৪১৫ ।।
ভ্ৰমিয়া ফুৰন্ত ঃ উদ্ধৱ মহন্ত।
কৃষ্ণে দেখিলন্ত ঃ হাসিয়া বোলন্ত।। ৪১৬ ।।
অদ্যাপি ভ্ৰমিয় ঃ শঙ্কা কৰা কিয়।
তুমি যেন প্ৰিয় ঃ আপুনি জানিয়।। ৪১৭ ।।
মোহোৰ নিদান ঃ এৰা অপমান।
আসা সখি প্ৰাণ ঃ কহো তত্ত্বজ্ঞান।। ৪১৮ ।।
মাধৱে বুলিল ঃ উদ্ধৱে শুনিল।
হৃদয় দ্ৰৱিল ঃ পাৱত পৰিল।। ৪১৯ ।।
মুখে নাসে মাত ঃ কান্দে দোৱাঁই মাথ।
তেজিলাহা নাথ ঃ ভৈলোহো অনাথ।। ৪২০ ।।
উদ্ধৱ কান্দন্ত ঃ দেখি ভগৱন্ত।
ধৰি তুলিলন্ত ঃ জ্ঞান কহিলন্ত।। ৪২১ ।।

থাকিবে নেদিল ঃ প্ৰণাম কৰিল।
শোক উথলিল ঃ কান্দন্তে চলিল।। ৪২২ ।।
ব্ৰহ্মা চিন্তি হিত ঃ ত্ৰিদশে সহিত।
মিলিল তহিত ঃ গাইলা গুণ গীত।। ৪২৩ ।।
কতোহো গাৱন্ত ঃ কতোহো নাচন্ত।
তুতি উচ্চৰন্ত ঃ পুষ্প সিঞ্চিলন্ত।। ৪২৪ ।।
দেখি নাৰায়ণ ঃ হাসিত বয়ন।
জপাইল নয়ন ঃ চলিবাক মন।। ৪২৫ ।।
দেৱৰ কটক ঃ নাকলে কৃষ্ণক।
বিজুলী চটক ঃ পাইলা বৈকুণ্ঠক।। ৪২৬ ।।
দেখি কৃষ্ণপদ ঃ নয়ন তবধ।
যত পাৰিষদ ঃ বজাইলা শৰদ।। ৪২৭ ।।
দেখিয়া মাধৱ ঃ প্ৰীতি অভিনৱ।
মিলিল উৎসৱ ঃ কৰে জয় ৰৱ।। ৪২৮ ।।
জগতৰ তাত ঃ মাধৱ তথাত।
অনন্ত শয্যাত ঃ থাকিলা সাক্ষাত।। ৪২৯ ।।
কৃষ্ণৰ কিঙ্কৰ ঃ ৰচিলা শঙ্কৰ।
চৰিত্ৰ কৃষ্ণৰ ঃ শুনা সৱে নৰ।। ৪৩০ ।।
কৃষ্ণৰ পাচত ঃ কলিৰ ভয়ত।
ধৈৰ্য্য ধৃতি ব্ৰত ঃ মহা ধৰ্ম যত।। ৪৩১ ।।
আতি ত্ৰাসমনে ঃ সিটো ধৰ্ম গণে।
হৰিৰ কীৰ্ত্তনে ঃ পশিল শৰণে।। ৪৩২ ।।
যিজন নিপুণ ঃ গাৱে হৰিগুণ।
সিসে পাৱে পুইণ ঃ নিস্তৰে আপুন।। ৪৩৩ ।।
আন ধৰ্ম প্ৰজা ঃ নাম তাৰ ৰাজা।
শাস্ত্ৰৰো ধ্বজা ঃ জানি এৰা লজ্জা।। ৪৩৪ ।।
ৰাম নাম গাই ঃ ভ্ৰমিয়ো সদায়।
হেলা নুযুৱাই ঃ ব্যৰ্থে আয়ু যায়।। ৪৩৫ ।।
নামেসে সংসাৰ ঃ কৰিবে নিস্তাৰ।
নাম বিনে আৰ ঃ আন নাহি সাৰ।। ৪৩৬ ।।
নাম তেজি আশ ঃ কাত কৰা বাস।
অমৃত নৈৰাশ ঃ যেন বিষ গ্ৰাস।। ৪৩৭ ।।
পাপে চাপি ধৰে ঃ নাম নুসুমৰে।
আত্মঘাত কৰে ঃ কৌতুকতে মৰে।। ৪৩৮ ।।
কত তপসাই ঃ নৰতনু পায়।
চিন্তামণি প্ৰায় ঃ হাততে হৰাই।। ৪৩৯ ।।
জানিয়া সম্প্ৰতি ঃ কৰি থিৰ মতি।
অগতিৰ গতি ঃ ভজা যদুপতি।। ৪৪০ ।।
মাধৱৰ নাম ঃ ধৰ্ম অনুপাম।
এৰি আন কাম ঃ বোলা ৰাম ৰাম।। ৪৪১ ।।

**।। ইতি গুণমালা সমাপ্ত ।।**